জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২১৬/২০২২**

আবকাৰী বিভাগৰ কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

# বিষয়া-কৰ্মচাৰীক দুৰ্নীতি বিৰোধী অৱস্থান গ্ৰহণ কৰি জনসাধাৰণৰ সেৱাত ব্ৰতী হ'বলৈ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## আবকাৰী বিভাগত পূৰণ কৰা হ'ব তৃতীয় আৰু চতুৰ্থ বৰ্গৰ খালি পদ

**সুৰাৰ অবৈধ প্ৰৱেশ বন্ধ কৰিবলৈ আন্তঃৰাজ্যিক সীমাৰ সমীপত অস্থায়ী নিৰীক্ষণ চকী স্থাপন কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ**

**দিছপুৰ, ২ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনৰ সভাকক্ষত আবকাৰী বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এক পৰ্যালোচনা বৈঠকত মিলিত হয়।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই অৰুণাচল আৰু মেঘালয়ৰ পৰা যাতে অবৈধভাৱে অসমলৈ সুৰা আনিব নোৱাৰে তাৰ বাবে সীমামূৰীয়া জিলাকেইখনৰ আন্তঃৰাজ্যিক সীমাৰ সমীপত অস্থায়ী নিৰীক্ষণ চকী স্থাপন কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। তেখেতে আবকাৰী বিভাগত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ খালি পদসমূহ পূৰণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ প্ৰদান কৰে। আবকাৰী কনিষ্টবল নিযুক্তিৰ বাবে আৰক্ষী কনিষ্টবল নিযুক্তি ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰক্ৰিয়াৰ সৈতে একত্ৰিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে শূন্য সহনশীলতা গ্ৰহণ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আবকাৰী বিভাগৰ সমূহ বিষয়া-কৰ্মচাৰীক সততা, নিষ্ঠা আৰু স্বচ্ছতাৰে দুৰ্নীতি বিৰোধী অৱস্থান গ্ৰহণ কৰি জনসাধাৰণৰ সেৱাত ব্ৰতী হ'বলৈ নিৰ্দেশ প্ৰদান কৰে।

আজিৰ এই বৈঠকত আবকাৰী, পৰিবহন তথা মীন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, আবকাৰী বিভাগৰ আয়ুক্ত-সচিব ৰাকেশ কুমাৰ আৰু আবকাৰী বিভাগৰ অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

হেঃশঃ / পুঃডেঃ
**২/০৮/২০২২**